# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) __________________________
   (Name) ____________________________
2. (Signature) __________________________
   (Name) ____________________________

Roll No. | | | | | | | | |

(In figures as per admission card)

Roll No.________________________________

(In words)

| D | 3 | 6 | 1 | 0 |
|---|---|---|---|---|

Time : 2 $^1/_2$ hours] [Maximum Marks : **200**

Number of Pages in this Booklet : **32** Number of Questions in this Booklet : **19**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. Answer to short answer/essay type questions are to be given in the space provided below each question or after the questions in the Test Booklet itself.

   **No Additional Sheets are to be used.**
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
4. Read instructions given inside carefully.
5. One page is attached for Rough Work at the end of the booklet before the Evaluation Sheet.
6. If you write your name or put any mark on any part of the Answer Sheet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
7. You have to return the test booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
8. **Use only Blue/Black Ball point pen.**
9. **Use of any calculator or log table etc., is prohibited.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. लघु प्रश्न तथा निबंध प्रकार के प्रश्नों के उत्तर, प्रत्येक प्रश्न के नीचे या प्रश्नों के बाद में दिये हुए रिक्त स्थान पर ही लिखिये ।

   इसके लिए कोई अतिरिक्त कागज का उपयोग नहीं करना है ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।
4. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
5. उत्तर-पुस्तिका के अन्त में कच्चा काम (Rough Work) करने के लिए मूल्यांकन शीट से पहले एक पृष्ठ दिया हुआ है ।
6. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे ।
7. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और इसे परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें ।
8. केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।
9. किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।

**ASSAMESE**

**অসমীয়া**

**PAPER-III**

**প্ৰশ্নপত্ৰ-III**

**Note :** This paper is of **two hundred (200)** marks containing **four (4)** sections. Candidates are required to attempt the questions contained in these sections according to the detailed instructions given therein.

**টোকা :** এই প্ৰশ্নকাকতখন **দুশ (200)** মূল্যাংকৰ আৰু ইয়াত **চাৰিটা (4)** খন্ড আছে । পৰীক্ষাৰ্থী সকলে এই চাৰিওটা খন্ডত থকা প্ৰশ্নসমূহৰ লগতে দিয়া বিশদ বিৱৰণ অনুসৰি উত্তৰ লিখিব লাগিব ।

## SECTION – I

## খন্ড – I

**Note :** This section consists of **two** essay type questions of **twenty (20)** marks each, to be answered in about **five hundred (500)** words each. **(2 × 20 = 40 marks)**

**টোকা :** এই খন্ডটোত আভ্যন্তৰীন বিকল্প থকা দুটা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় **পাঁচশ (500)** শব্দৰ ভিতৰত লিখিব লাগিব । প্ৰত্যেক প্ৰশ্নৰ মূল্যাংক **বিশ** (২০) । **(2 × 20 = 40)**

1. অসমীয়া শিশু-সাহিত্য অথবা অসমীয়া সংবাদ পত্ৰৰ ক্ৰমবিকাশৰ চমু ইতিহাস দাঙি ধৰাঁ ।

2. অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ দিখুৱাই অথবা কামৰূপী উপভাষাৰ বৈশিষ্ট্য দেখুৱাই এটি টোকা লিখাঁ ।

## SECTION – II

## খন্ড – II

**Note :** This section contains **three (3)** questions from each of the electives/specializations. The candidate has to choose only one elective/specialization and answer all the three questions from it. Each question carries **fifteen (15)** marks and is to be answered in about **three hundred (300)** words. **(3 × 15 = 45 marks)**

**টোকা :** এই খন্ডত ঐচ্ছিক / বিশেষজ্ঞতামূলক তিনিটা ভাগ আছে । প্ৰতিটো ভাগত **তিনিটাকৈ** প্ৰশ্ন আছে । পৰীক্ষাৰ্থীয়ে তাৰে এটা ভাগ বাছি লৈ এই ভাগৰ অন্তৰ্ভুক্ত তিনিটা প্ৰশ্নৰ উত্তৰ লিখব লাগিব । প্ৰায় **তিনিশ (300)** কৈ শব্দৰ ভিতৰত লিখিব লগীয়া প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **পোন্ধৰ (15)** ।

**(3 × 15 = 45)**

### ঐচ্ছিক-I (অসমীয়া সাহিত্য)

3. মাধৱদেৱ ৰচিত বৰগীতৰ ভাব ভাষা আৰু কাব্যিক সৌন্দৰ্য্য আলোচনা কৰাঁ ।

4. লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰী ব্যঙ্গঁৰ উদ্দেশ্য আৰু প্ৰকাশভঙ্গীঁ বিশ্লেষণ কৰাঁ ।

5. আধুনিক অসমীয়া কবিতাৰ প্ৰগতিশীল ধাৰাটোৰ বিষয়ে বহলাই আলোচনা কৰাঁ ।

### ঐচ্ছিক-II (অসমীয়া ভাষা)

3. অসমীয়া ভাষাৰ প্ৰধান প্ৰধান উপভাষা কেইটাৰ নাম লিখা আৰু কামৰুপীৰ লগত মান্যভাষাটোৰ পাৰ্থক্য দেখুওৱা ।

4. অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা নিৰ্ণয় কৰা আৰু এখন তালিকাত দেখুওৱা । ইবোৰৰ লগত স্বৰ আখৰমালাৰ কিবা পাৰ্থক্য আছে যদি তালিকা প্ৰস্তুত কৰি দেখুওৱা ।

5. নিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে ? অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় কোনবোৰ লিখাঁ আৰু প্ৰয়োগ দেখুওৱাঁ । ইবোৰৰ যথাযথ প্ৰয়োগৰ অবিহনে কেনে অৰ্থ প্ৰকাশ পায় উদাহৰণ দি লিখাঁ ।

### ঐচ্ছিক-III (তুলনামূলক সাহিত্য)

3. তুলনামূলক সাহিত্য অধ্যয়নৰ গুৰুত্বৰ বিষয়ে বহলাই আলোচনা কৰাঁ ।

4. সৃষ্টিশীল সাহিত্যৰ অনুবাদত হ’ব পৰা সমস্যা আৰু সেইবোৰ অতিক্ৰম কৰাৰ প্ৰক্ৰিয়াৰ বিষয়ে বিশ্লেষণাত্মক টোকা লিখাঁ ।

5. ভাৰতীয় সাহিত্যৰ উমৈহতীয়া বিষয়-সাৰ (theme) কেইটি চিনাক্ত কৰা ।

## SECTION – III

## খন্ড – III

**Note :** This section contains **nine (9)** questions of **ten (10)** marks, each to be answered in about **fifty (50)** words. **(10 × 9 = 90 marks)**

**টোকা :** এই খণ্ডত **নটা (9)** প্ৰশ্ন আছে । পৰীক্ষাৰ্থীয়ে **নটা (9)** প্ৰশ্নৰ উত্তৰ লিখিব লাগিব । প্ৰায় **পঞ্চাশটা (50)** শব্দৰ ভিতৰত লিখিব লগীয়া প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দহ (10)** । **(10 × 9 = 90 )**

6. ‘জিকিৰ’ কোন শ্ৰেণীৰ গীত ? জিকিৰ গীতৰ বৈশিষ্ট্য আলোচনা কৰাঁ ।

7. সাধুকথাৰ বৈশিষ্ট্য কি কি লিখাঁ ।

8. কথা কবিতাৰ ঘাই লক্ষণসমূহ উল্লেখ কৰাঁ ।

9. অসমীয়া ভাষাৰ বৰ্ণ (phoneme) নিৰ্ণয় কৰোতে বৰ্ণবিজ্ঞানৰ কোনবোৰ দিশৰ ওপৰত গুৰুত্ব দিবা লিখাঁ ।

10. অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয় আৰু ইয়াৰ প্ৰয়োগ বিশ্লেষণ কৰাঁ ।

11. প্ৰকৃতাৰ্থত অসমীয়া ভাষাত সন্ধি আছেনে নাই বুজাই লিখাঁ ।

12. অনুবাদ কৰ্মক পুন:সৃজন বুলি কিয় কোৱা হয় বুজাই লিখাঁ ।

13. তুলনামুলক সাহিত্যৰ পৰিভাষা – ‘সংগ্ৰহন’ (Reception) আৰু ‘অনুকূলন’ (Adoptation) ৰ বিষয়ে আলোচনা কৰাঁ ।

14. বিশিষ্ট পন্ডিতৰ মতামতৰ আধাৰত তুলনামূলক সাহিত্যৰ সংজ্ঞা দাঙি ধৰাঁ ।

## SECTION – IV

## খন্ড – IV

**Note :** This section contains **five (5)** questions of **five (5)** marks each based on the following passage. Each question should be answered in about **thirty (30)** words.

**(5 × 5 = 25 marks)**

**টোকা :** এই খণ্ডত এটি পাঠ দিয়া আছে আৰু পাঠটোৰ পৰাই **পাঁচটা (5)** প্ৰশ্ন কৰা হৈছে । পৰীক্ষাৰ্থীয়ে পাঁচোটা প্ৰশ্নৰ উত্তৰ প্ৰশ্নই প্ৰতি **ত্ৰিশটা (30)** শব্দৰ ভিতৰত লিখিব লাগিব । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **পাঁচ (5)** **(5 × 5 = 25)**

পাঠ :

অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হলেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলগ্ বা যাদুঘৰ নহয় । নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভীজ্ঞতাৰ কেচাঁ সঁজুলি গঢ়িপিটি ললেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয় । মহাকবি গ্যেটেই কৈছিল যে সকলো বিষয়তে কবিত্ব আছে । উলিয়াই ল'ব পাৰিলেই হয় । এই কথাটোত যে এটা গভীৰ সত্য লুকাই আছে সেই বিষয়ে সন্দেহ নাই ; প্ৰতিভাৰ অসাধ্য একো নাই । তথাপি সাহিত্যৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে সামাজিক আৰু জাতীয় অভিজ্ঞতা, গোটেই জীৱনৰ অভিজ্ঞতা ব্যাপক, বিস্তীৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ হলেহে আহল-বহল সাহিত্যৰ

সৃষ্টি আৰু বিকাশ হয় । আমাৰ সাহিত্যৰ উন্নতিও যে অকল লেখক সকলৰ ব্যক্তিগত সাধনাৰ ওপৰত নিৰ্ভৰ কৰিছে, এনে নহয়, আমাৰ সমাজো শিক্ষা-দীক্ষা শ্ৰম, শিল্প, আৰ্থিক প্ৰগতি সকলো বিষয়তে আগবাঢ়ি সাহিত্যৰ যোগান ধৰিব পৰা হ'ব লাগিব । সাহিত্য আৰু সমাজ এটা ঘনিষ্ঠ সম্বন্ধত পৰস্পৰ সংশ্লিষ্ট হৈ আছে । সাহিত্যহীন সমাজ পংগু, বৰ্বৰ আৰু সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্য ক্ষীণ আৰু দুৰ্বল ।

উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহলে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান । আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয়' জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায় । সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচনীয় হৈছে । অলপ মন কৰিলে দেখা যায় যে, আমাৰ প্ৰায়বিলাক লেখকেই তৰুণ অথৱা প্ৰায়বিলাক ৰচনা লেখকসকলৰ তৰুণ অৱস্থাত লিখা । তৰুণৰ সাহিত্য-সেৱা অতি প্ৰশংসনীয় আৰু প্ৰয়োজনীয়, কিন্তু যি বয়সত মানুহৰ চিন্তা পূৰঠ নহয় আৰু অভিজ্ঞতা নহয়' তাৰ আগতে সাহিত্য-সেৱাৰ ওৰ পৰিলে সাহিত্য তৰাং আৰু অপৈনত হোৱাটো স্বাভাৱিক । আনৰ কথা নকওঁ, আমাৰ তৰুণ লেখকসকলে চুটি গল্প লিখাত বেছি সময় নষ্ট নকৰি নানা প্ৰকাৰৰ জ্ঞান আহৰন কৰি সাহিত্যত যোগালে বেছি লাভ হ'ব । অৱশ্যে চুটি গল্পও আধুনিক সাহিত্যৰ এটা প্ৰধান অংগ, কিন্তু ইয়াৰ কাৰনেও সূক্ষ্ম কলা আৰু বিশ্লেষণ শক্তিৰ আৱশ্যক ।

ৰংঘৰৰ উন্নতিৰ লগত সাহিত্যৰ উন্নতি জড়িত হৈ আছে । আমোদ-প্ৰমোদৰ বিষয়তো আমাৰ উৎসাহ আৰু নেৰানেপেৰা সাধনাৰ অভাৱ হলে অতি দুখৰ কথা হ'ব । সকলো দেশতে ৰংঘৰে নাট্য-সাহিত্য জীয়াই ৰাখিছে আৰু শেক্সপীয়েৰ পৰা ইৱছেনলৈকে প্ৰায়বিলাক ডাঙৰ নাট্যকাৰৰে ৰংঘৰৰ লগত ঘনিষ্ঠ সম্বন্ধ দেখা যায় । মস্কোৰ আৰ্ট থিয়েটাৰ স্থাপিত নোহোৱা হ'লে ৰুছ সাহিত্যই ছেকভক নাট্যকাৰ ৰূপেই নাপালেহেঁতেন । অনেক সময়ত অভিনেতাসকলেও নিজে নাটক লিখি সাহিত্য সেৱা কৰিছে । ওঠৰ শতিকাৰ শেষ ভাগত বিখ্যাত জাৰ্মান অভিনেতা ছ'ডাৰ আৰু হফ্‌লান্ডে ৰীতি মতে নাটক লিখি জাৰ্মান নাট্য-সাহিত্যক সবল কৰাত সহায় কৰিছিল । বঙালী নাট্য সাহিত্য অভিনেতাসকলৰ ৰচনাৰ ওপৰত কম ঋণী নহয় । নাটক লিখিবলৈ ল'লেই যে শেক্সপীয়েৰ বা ছিলাৰ হ'ব লাগে তাৰ কোনো মানে নাই । আমাৰ দেশত ৰংঘৰ আৰু নাট্যকলাৰ সেৱা যিমানেই বাঢ়ে সিমানেই আমাৰ সাহিত্যৰ লাভ হ'ব, সেই বিষয়ে সন্দেহ নাই । "জয়মতী", "শোনিত কুঁৱৰী" আদি নাট ৰেকৰ্ডত দিয়াৰ পৰাও আমাৰ সাহিত্যৰ লাভ হৈছে আৰু ভাষাৰ মৰ্য্যাদা বাঢ়িছে । অসমত এটা স্থায়ী ৰংঘৰ থকা হ'লে আমাৰ নাট্য সাহিত্যৰ বহু উন্নতি হ'লহেতেঁন । সকলো দেশতে স্থায়ী ৰংঘৰৰ পৰাহে নাট্য-সাহিত্যৰ পুষ্টি সাধন হৈছে । এই বিষয়ে অনেকৰ উৎসাহ থাকিলেও সামাজিক আৰু আৰ্থিক কাৰণত স্থায়ী ৰংঘৰ অসমত চলিব বুলি বোধ নহয় । সামাজিক অভিব্যক্তিৰ লগত সাহিত্য আৰু কলা চৰ্চাৰ কিমান ঘনিষ্ঠ সম্বন্ধ তাকো এনেকুৱাবিলাক কথাৰ পৰাই স্পষ্ট কৈ বুজা যায় ।

15. প্ৰকৃত সাহিত্য সৃষ্টি কৰিবলৈ হ'লে কেনে প্ৰস্তুতিৰ দৰকাৰ ?

16. 'আহল বহল' সাহিত্যৰ সৃষ্টি আৰু বিকাশৰ প্ৰাথমিক চৰ্তবোৰ কি কি ?

17. সাহিত্য আৰু সমাজৰ ঘনিষ্ঠ সম্বন্ধ কেনেদৰে প্ৰকাশিত হয় ?

18. সাহিত্য সেৱাত আত্মনিয়োগ কৰিব খোজা তৰুণ সকলৰ প্ৰাথমিক কৰনীয় কি ?

19. ৰংঘৰ আৰু সাহিত্য – এটি আনটিৰ পৰিপূৰক হিচাপে কেনেদৰে বিকশিত হ'ব পাৰে ?

**Space For Rough Work**

| FOR OFFICE USE ONLY | |
|---|---|
| Marks Obtained | |
| Question Number | Marks Obtained |
| 1 | |
| 2 | |
| 3 | |
| 4 | |
| 5 | |
| 6 | |
| 7 | |
| 8 | |
| 9 | |
| 10 | |
| 11 | |
| 12 | |
| 13 | |
| 14 | |
| 15 | |
| 16 | |
| 17 | |
| 18 | |
| 19 | |

Total Marks Obtained (in words) ..........................................

(in figures) ........................................

Signature & Name of the Coordinator ..................................

(Evaluation) Date .........................